প্ৰতিজন প্ৰাপ্তবয়স্ক লোকৰ বাবে জুমুআৰ দিনা গোছল কৰা ওৱাজিব। লগতে মিছৱাক কৰা উচিত আৰু সুগন্ধি থাকিলে সেয়া ব্যৱহাৰ কৰা উচিত।

আমৰ ইবনু ছুলাইম আল-আনচাৰীয়ে কৈছে, মই সাক্ষ্য দিওঁ যে, আবু ছাঈদ খুদৰীয়ে কৈছে, তেওঁ কৈছে, মই সাক্ষ্য দিওঁ যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ
প্ৰতিজন প্ৰাপ্তবয়স্ক লোকৰ বাবে জুমুআৰ দিনা গোছল কৰা ওৱাজিব। লগতে মিছৱাক কৰা
উচিত আৰু সুগন্ধি থাকিলে সেয়া ব্যৱহাৰ কৰা উচিত।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাহি অছাল্লামে জুমুআৰ দিনা গোছল কৰিবলৈ গুৰুত্ব প্ৰদান কৰিছে। জুমুআ ওৱাজিব হোৱা প্ৰতিজন প্ৰাপ্তবয়স্ক মুছলিমৰ বাবে গোছল কৰা জৰুৰী। মিছৱাক আদিৰ জৰিয়তে দাঁত চাফা কৰিব লাগে। ভাল সুগন্ধিমূলক আতৰ ব্যৱহাৰ কৰিব লাগে।

http://www.sunnah.global/hadeeth/as/show/10036